# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-04-2026
**Time :** 1340 hrs

## *Assamese Midday Bulletin*
## HEADLINES

১। দেশে আজি প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ ১১ বছৰ পূৰ্তি উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে যুৱক-যুৱতীসকলৰ আত্মনিৰ্ভৰতাক উৎসাহিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা অত্যন্ত ফলদায়ক হিচাপে প্ৰমাণিত হৈছে।

২। অসমৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ ভোটগ্ৰহণৰ বাবে প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে বিদেশী প্ৰতিনিধিৰ এটা দল অসমত উপস্থিত হৈছে।

৩। বৃহৎ কূটনৈতিক সাফল্যৰ পৰিণতিত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰান দুসপ্তাহৰ বাবে যুদ্ধবিৰতিত থাকিবলৈ সন্মত হৈছে।

৪। মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৰে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহি কেপিটেলছ আৰু গুজৰাট টাইটানছ মুখামুখি হ'ব।

ooooo

দেশে আজি প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ ১১ বছৰ পূৰ্তি উদযাপন কৰিছে। এই অভিলাষী আঁচনি ২০১৫ চনৰ ৮ এপ্ৰিলত মুকলি কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ এই অন্যতম ধবজাবাহক আঁচনিখনৰ জৰিয়তে পুঁজিৰ পৰা বঞ্চিত ক্ষুদ্ৰ প্ৰতিষ্ঠান আৰু সৰু ব্যৱসায়ক পুঁজি যোগানৰ লক্ষ্য লোৱা হৈছে। ঋণ লাভৰ জটিল প্ৰক্ৰিয়াক সহজ প্ৰক্ৰিয়ালৈ পৰিণত কৰা মুদ্ৰা যোজনাই তৃণমূল পৰ্যায়ৰ উদ্যমিতাৰ ক্ষেত্ৰত নতুন যুগৰ ভিত্তি স্থাপন কৰিছে।

প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাই বিগত ১১ বছৰত পুঁজি যোগানৰ উপকাৰিতা সন্দৰ্ভত সাধাৰণ লোকক অৱগত কৰোৱাৰ লগতে তৃণমূল পৰ্যায়ৰ উদ্ভাৱনক শক্তিশালী কৰি আহিছে। বেংকে বৃহৎ কৰ্পৰেট গোষ্ঠীক বিনাদ্বিধাই ঋণ দি অহাৰ বিপৰীতে একাংশ যোগ্য লোক ইয়াৰ পৰা বঞ্চিত হৈ পৰিছে। মুদ্ৰা যোজনাই এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি সকলোৰে যাতে সমান সুবিধা লাভ কৰিব পাৰে তাৰ বাবে এটা স্পষ্ট আৰু বিস্তৃত বিকল্প প্ৰদান কৰি আহিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে যুৱক-যুৱতীসকলৰ আত্মনিৰ্ভৰতাক উৎসাহিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা অত্যন্ত ফলদায়ক হিচাপে প্ৰমাণিত হৈছে। মুদ্ৰা যোজনাৰ ১১ বছৰ পূৰ্তি উপলক্ষে

আজি সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে উল্লেখ কৰে যে এজন লোকক সঠিক সা-সুবিধাৰ যোগান ধৰিলে তেওঁ যে আত্মনিৰ্ভৰ হ'ব পাৰে আৰু দেশৰ প্ৰগতিৰে গুৰুত্বপূৰ্ণ অৰদান আগবঢ়াব পাৰে, সেয়া মুদ্ৰা যোজনাৰ সাফল্যই প্ৰমাণ কৰি দেখুৱাইছে।

মুদ্ৰা যোজনাৰ বৰ্ষপূৰ্তি উপলক্ষে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে এই আঁচনিয়ে মজলীয়া, ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ প্ৰতিষ্ঠানসমূহৰ লগতে দেশৰ অগণন ব্যক্তিগত প্ৰতিষ্ঠানক আগবাঢ়ি যোৱাত সহায় কৰিছে। তেওঁ বিগত দশকত দেশৰ কোটি কোটি সাধাৰণ নাগৰিকে উদ্যমিতাৰ ক্ষেত্ৰখনত নতুন আত্মবিশ্বাসৰ জৰিয়তে প্ৰবেশ কৰা বিষয়টোত আলোকপাত কৰে। শ্ৰীমতী সীতাৰমনে লগতে কয় যে এই আঁচনিৰ জৰিয়তে ঋণ লাভৰ ক্ষেত্ৰত পূৰ্বে থকা বাধাসমূহ আঁতৰাই উদ্যমিতাক সঁচা অৰ্থত গণতান্ত্ৰিক কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে ২০৪৭ চনত দেশ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত উদ্যমী লোকসকল সক্ৰিয় অংশীদাৰ হ'ব পৰাকৈ তেওঁলোকৰ সবলীকৰণৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা অব্যাহত ৰখা হ'ব।

প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত আজি পৰ্যন্ত ৪০ লাখ কোটিৰো অধিক টকাৰ প্ৰায় ৫৮ কোটি ঋণ প্ৰদান কৰা হৈছে। ইয়াৰে দুই-তৃতীয়াংশ ঋণ মহিলা উদ্যমীসকলক দিয়া হৈছে। সমান্তৰালকৈ মুঠ ঋণৰ সংখ্যাৰ পাঁচ ভাগৰ এভাগ প্ৰথমবাৰৰ বাবে উদ্যমী হ'বলৈ আগবঢ়াসকলক প্ৰদান কৰা হৈছে।

০০০০০

অসমৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনসমূহে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। এইবাৰ নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰে ৫৯ গৰাকী মহিলা প্ৰাৰ্থী। ৰাজ্যত ২ কোটি ৫০ লাখ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবা শতাধিক কোম্পানী নিয়োগ কৰা হৈছে। ৰাজ্যখনৰ ভিতৰত দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথি পত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু বিশেষভাৱে সক্ষমলোকৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে ৩০টা নতুন পদক্ষেপ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে বিদেশী প্ৰতিনিধিৰ এটা দল অসমত উপস্থিত হৈছে। এঙ্গোলা, ইজিপ্ত, পৰ্টুগাল, মেক্সিকো, শ্ৰীলংকা, বেনিন আৰু ক্ৰুৰেছিয়াকে ধৰি ৭ খন দেশৰ ১৫ গৰাকী প্ৰতিনিধি আৰু নিৰ্বাচন আয়োগৰ ৩ গৰাকী বিষয়াৰে গঠিত দলটো আজি ৰাজ্যৰ মুখ্য

নিৰ্বাচনী বিষয়াৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁলোকে লগতে ক্ষেত্ৰ পৰ্যায়ত নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে নিৰ্বাচনী সামগ্ৰী কেন্দ্ৰ আৰু নিয়ন্ত্ৰণ কক্ষসমূহ পৰিদৰ্শন কৰিব। দলটোৱে কাইলৈ ভোটগ্ৰহণৰ দিনা বিভিন্ন জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি ভোটদান প্ৰক্ৰিয়া, নিৰাপত্তা ব্যৱস্থা আৰু প্ৰযুক্তি ব্যৱহাৰৰ বুজ ল'ব।

০০০০০

বৃহৎ কূটনৈতিক সাফল্যৰ পৰিণতিত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰান দুসপ্তাহৰ বাবে যুদ্ধবিৰতিত থাকিবলৈ সন্মত হৈছে। কেইবা সপ্তাহ ধৰি পশ্চিম এছিয়াত চলি অহা যুদ্ধৰ অৱসানৰ ক্ষেত্ৰত এই সিদ্ধান্তই স্বাভাৱিকতে যোগাত্মক ইংগিত বহন কৰিছে। মধ্যস্থতাকাৰীৰ জৰিয়তে হোৱা এই যুদ্ধবিৰতি চুক্তিৰ জৰিয়তে শীঘ্ৰেই কাৰ্যকৰী হোৱাকৈ দুয়োপক্ষই আক্ৰমণ বন্ধ কৰা আৰু আন্তৰ্জাতিক বাণিজ্যিক জাহাজ চলাচলৰ বাবে হৰমুজ প্ৰণালী পুনৰ মুকলি কৰি দিয়াৰ ক্ষেত্ৰত দেশ দুখনে সহমত প্ৰকাশ কৰিছে। এই ঘোষণাৰ কেইঘণ্টামানৰ পাছতেই আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য প্ৰতি বেৰেলত ১১৫ ডলাৰৰ পৰা ৯৫ ডলাৰলৈ হ্ৰাস হয়। ৱাশ্বিংটনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে যুদ্ধবিৰতি চুক্তি হোৱাটো নিশ্চিত কৰি এই চুক্তিক কূটনৈতিক সাফল্য হিচাপে বৰ্ণনা কৰে। আনহাতে, ইৰানৰ চৰকাৰী সংবাদ মাধ্যমে এই যুদ্ধবিৰতিক অঞ্চলটোৰ সুৰক্ষাৰ বাবে অত্যন্ত প্ৰয়োজনীয় উদ্যোগ বুলি উল্লেখ কৰিছে।

০০০০০

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুয়ে কৈছে যে ইজৰাইলে ইৰানৰ বিৰুদ্ধে সামৰিক অভিযান দুসপ্তাহৰ বাবে বন্ধ ৰাখিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰই লোৱা সিদ্ধান্তক সমৰ্থন কৰে। অৱশ্যে তেওঁ এই যুদ্ধবিৰতি হিজবুল্লাৰ বিৰুদ্ধে যুদ্ধ চলি থকা লেবাননলৈ সম্প্ৰসাৰণ নকৰাৰ পোষকতা কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সিদ্ধান্তই ইৰাণক পাৰমানবিক ক্ষেপনাস্ত্ৰ নিৰ্মাণৰ পৰা বিৰত ৰখাৰ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰ, ইজৰাইল, আৰৱ দেশসমূহ আৰু বিশ্বৰ অন্যান্য প্ৰান্তত ইৰানক সন্ত্ৰাসৰ পৃষ্ঠপোষকতা কৰাত বাধা দিব। এক্স হেণ্ডেলত প্ৰধানমন্ত্ৰী নেতান্যাহুৰ কাৰ্যালয়ে লগতে স্পষ্ট কৰি দিয়ে যে লেবাননত ইজৰাইলৰ অভিযান অব্যাহত থাকিব।

যুদ্ধ অৱসানৰ বাবে দিয়া ১০-দফীয়া প্ৰস্তাৱত তেহৰানে হিজবুল্লাৰ বিৰুদ্ধে ইজৰাইলৰ অভিযান শেষ কৰাৰো দাবী কৰিছে।

০০০০০

মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৱে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। সোমবাৰে নিশা সংঘটিত এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হৈ ইম্ফলৰ চিকিৎসালত চিকিৎসাধীন হৈ আছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা বোমা উদ্ধাৰ কৰি নিষ্ক্ৰিয় কৰে। এই ঘটনাৰ পাছতে ৰাজ্যখনৰ ৫ খন উপত্যকা জিলা, পশ্চিম ইম্ফল, পূব ইম্ফল, কাকচিং, থৌবাল আৰু বিষ্ণুপুৰত বহু লোকে প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে চি আৰ পি এফৰ চাউনীলৈ গৈ সুৰক্ষা বিচাৰি ধ্বনি দিয়ে। সুৰক্ষা বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ লগতে শূন্যলৈ গুলীচালনা কৰাত কেইবাগৰাকী প্ৰতিবাদকাৰী আহত হয়। ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। ৰাজ্য চৰকাৰে জিলা কেইখনত আইন-শৃংখলা পৰিস্থিতি

বৰ্তাই ৰখাৰ বাবে সান্ধ্য আইন জাৰি কৰিছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ স্বাৰ্থত ৰাজ্যৰ গৃহ বিভাগে মণিপুৰত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা ৩ দিনৰ বাবে বন্ধ ঘোষণা কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, ৰাজস্থান ৰয়েলছে যোৱানিশা গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত এখন বৰ্ষাবিঘ্নিত খেলত মুম্বাই ইণ্ডিয়ানছক ২৭ ৰানত পৰাস্ত কৰে। ৰাজস্থানে বান্ধি দিয়া ১৫১ ৰাণৰ প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে ৯টা উইকেট হেৰুৱাই ১২৩ ৰাণহে কৰিবলৈ সক্ষম হয়। ৰাজস্থানৰ নাণ্ড্ৰে বাৰ্গাৰ, সন্দীপ শৰ্মা আৰু ৰবি বিষ্ণইয়ে ২টাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে বৰষুণ তথা সেমেকা আউটফিল্ডৰ বাবে ১১ অভাৰলৈ হ্ৰাস কৰা খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৰাজস্থান ৰয়েলছে ৩টা উইকেট হেৰুৱাই ১৫০ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ যশস্বী জয়চোৱালে ৩২টা বলত ৭৭ৰাণ কৰি আউট নোহোৱাকৈ থাকে।

০০০০০

**সমাপ্ত**